3 (Sem–5/CBCS) ASM HE 3

**2024**

ASSAMESE

( Honours Elective )

Paper : ASM–HE–5036

( শংকৰদেৱ )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ দিয়া : ১×১০=১০

(ক) শংকৰদেৱৰ জন্ম কোন শতিকাত হৈছিল ?

(খ) শংকৰদেৱে আটাইতকৈ শেষত ৰচনা কৰা নাটখনৰ নাম কি ?

(গ) চৰিত পুথিত উল্লেখ থকা মতে শংকৰদেৱে প্ৰথমটো বৰগীত 'মন মেৰি ৰাম চৰণেহি লাগু' ক'ত ৰচনা কৰিছিল ?

(ঘ) বৰগীতক কোনগৰাকী অসমীয়া বুৰঞ্জীকাৰে 'Holy Songs' আখ্যা দিছে ?

(ঙ) মাধৱদেৱৰ আজ্ঞানুসাৰে কোনে 'কীৰ্তন' পুথিৰ বিভিন্ন খণ্ডসমূহ সংগ্ৰহ কৰি সংকলন কৰিছিল ?

(চ) ‘গুৰুচৰিত’ পুথিত উল্লেখ থকা মতে কাৰ অনুৰোধ মৰ্মে শংকৰদেৱে ‘ৰামবিজয়’ নাট ৰচনা কৰিছিল ?

(ছ) ‘হৰিশ্চন্দ্ৰ উপাখ্যান’ৰ মূল কাহিনীভাগ কোনখন পুৰাণৰ আধাৰত ৰচিত ?

(জ) ‘হৰিশ্চন্দ্ৰ উপাখ্যান’ত কোনগৰাকী দেৱতাৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰা হৈছে ?

(ঝ) ৰামচৰণ ঠাকুৰৰ ‘শংকৰ চৰিত’ মতে কোন বাৰ তীৰ্থ ভ্ৰমণ কৰি আহি শংকৰদেৱে ‘পাৰিজাত হৰণ’ নাট ৰচনা কৰিছিল ?

(ঞ) ‘পাৰিজাত হৰণ’ নাটৰ কোনটো চৰিত্ৰক তীৰ্থনাথ শৰ্মাই অসমীয়া ‘ব’ৰাগী ককাই’ৰ আদৰ্শত ৰচনা কৰা বুলি অনুমান কৰিছে ?

২। চমুকৈ উত্তৰ দিয়া : ২×৫=১০

(ক) শংকৰদেৱে প্ৰণয়ন কৰা দুই প্ৰকাৰ ভটিমা কি কি ?

(খ) শংকৰদেৱে অনন্ত কন্দলিক দশমৰ কোন দুটা খণ্ড ভাঙনি কৰিবলৈ নিৰ্দেশ দিছিল ?

(গ) “গুৰুজনে খেদকৈ বোলে বৰাৰ পো, অনেক শ্ৰমকৈ গীতখানি কৈলো, পুইলে।...” ‘গুৰুচৰিত কথা’ত উল্লেখ থকা এই কথাখিনি কোনে, কাক কৈছে ?

(ঘ) ‘পাৰিজাত হৰণ’ নাটৰ মূল কাহিনীভাগ ‘ভাগৱত পুৰাণ’ৰ উপৰিও অন্য কোন দুখন পুৰাণত পোৱা যায় ?

(ঙ) ‘হৰিশ্চন্দ্ৰ উপাখ্যান’ত হৰিশ্চন্দ্ৰ ৰজাৰ স্বৰ্গ লাভৰ পাছত কোন দুগৰাকী ঋষিৰ মাজত লগা যুদ্ধৰ বৰ্ণনা দিয়া আছে ?

৩। তলৰ যি কোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) বৈষ্ণৱ সাহিত্যৰ পটভূমি সম্পৰ্কে চমুকৈ আলোচনা কৰা।

(খ) শংকৰদেৱে ৰচনা কৰা অংকীয়া নাটৰ ভাষাৰ বিষয়ে এটি চমু টোকা লিখা।

(গ) শংকৰদেৱ আৰু মাধৱদেৱ ৰচিত বৰগীতৰ এটি তুলনা দাঙি ধৰা।

(ঘ) 'শিশুলীলা' খণ্ডত বৰ্ণিত শ্ৰীকৃষ্ণই কুবেৰৰ পুত্ৰক মুক্তি দিয়া ঘটনাংশ তোমাৰ ভাষাৰে লিখা।

(ঙ) হৰিশ্চন্দ্ৰ ৰজাই কিয় সোঁ-শৰীৰেৰে স্বৰ্গলৈ যাব খোজা নাছিল, 'হৰিশ্চন্দ্ৰ উপাখ্যান'ৰ আধাৰত বৰ্ণনা কৰা।

(চ) 'পাৰিজাত হৰণ' নাটত সন্নিৱিষ্ট নৰকাসুৰ বধ কাহিনীভাগ চমুকৈ উল্লেখ কৰা।

৪। (ক) শংকৰদেৱৰ সাহিত্যৰাজিক শ্ৰেণীবদ্ধ ৰূপত ভাগ কৰি এক পৰিচয়মূলক আলোচনা প্ৰস্তুত কৰা। ১০

*অথবা*

(খ) শংকৰদেৱে ৰচনা কৰা নাটসমূহক কালানুক্ৰমিকভাৱে সজাই নাটসমূহৰ বিষয়ে এক সামগ্ৰিক পৰ্যালোচনা আগবঢ়োৱা।

৫। (ক) শংকৰদেৱৰ কাব্যিক প্ৰতিভা 'হৰিশ্চন্দ্ৰ উপাখ্যান'ত কেনেদৰে প্ৰতিভাত হৈছে, কাব্যখনৰ ৰস সৃষ্টি আৰু পৰিস্থিতি চিত্ৰণৰ আলমত বিচাৰ কৰা। ১০

অথবা

(খ) 'হৰিশ্চন্দ্ৰ উপাখ্যান'ত বিশ্বামিত্ৰ ঋষিৰ ক্ৰূৰতাৰ বিপৰীতে হৰিশ্চন্দ্ৰ ৰজাৰ ধৰ্মনিষ্ঠা তথা সহনশীলতা কেনেদৰে প্ৰকাশ পাইছে, বৰ্ণনা কৰা।

৬। (ক) 'কীৰ্তন'-পুথিৰ 'গজেন্দ্ৰ উপাখ্যান'ত উল্লেখিত গজেন্দ্ৰৰ প্ৰকৃত পৰিচয় দাঙি ধৰি তেওঁৰ বিষ্ণুভক্তি সম্পৰ্কে বিতংকৈ আলোচনা কৰা। ১০

অথবা

(খ) 'সাৰংগ পাণি...' বৰগীতটোৰ বিষয়বস্তুৰ তাৎপৰ্য আৰু কাব্যিক সৌন্দৰ্য বিচাৰ কৰা।

৭। (ক) "শংকৰদেৱৰ নাটসমূহৰ ভিতৰত নাটকীয় গুণলৈ দৃষ্টি ৰাখি 'পাৰিজাত হৰণ'কে উৎকৃষ্ট বুলিব পাৰি।" সমালোচকৰ এই উক্তিৰ যথাৰ্থতা প্ৰতিপন্ন কৰিবলৈ 'পাৰিজাত হৰণ'ত প্ৰকাশ পোৱা নাটকীয় গুণৰ আভাস দিয়া। ১০

অথবা

(খ) 'পাৰিজাত হৰণ' নাটৰ চৰিত্ৰবোৰৰ মাজত স্বভাৱৰ বৈপৰীত্য আৰু সমধৰ্মিতা কেনেদৰে অংকিত হৈছে, নাটৰ প্ৰধান চৰিত্ৰকেইটাৰ আলমত বিশ্লেষণ কৰা।

★★★